চিলাপথাৰ মহাবিদ্যালয়

দ্বিতীয় ষান্মাসিক

অসমীয়া বিভাগ

# ভাষাৰ বৰ্গীকৰণ

# ভাষাৰ বৰ্গীকৰণ

- আমি বাস কৰা এই পৃথিৱীখনত অসংখ্য ভাষা পোৱা যায়। এই ভাষাসমূহৰ সৰহ ভাগেই পৰস্পৰৰ দুৰ্বোধ্য আৰু সমাজভেদে বেলেগ বেলেগ। ভাষাবিজ্ঞানীসকলে এই ভাষাসমূহ এটা শৃংখলালৈ আনিবলৈ যত্ন কৰি আহিছে। এই ভিন্ন ভাষাসমূহক কেতিয়াবা ভাষাগত বৈশিষ্ট্যৰ ভিত্তিত, কেতিয়াবা ভৌগোলিক অৱস্থানৰ ভিত্তিত, কেতিয়াবা পাৰিবাৰিক সম্বন্ধৰ ভিত্তিত শ্ৰেণীবিভাজন কৰিবলৈ চেষ্টা চলাই আহিছে আৰু সেই অনুসৰি একো একোটা পৰিয়ালত অন্তৰ্ভূক্ত কৰি আহিছে। ভাষাসমূহক এনেদৰে কৰা শ্ৰেণীবিভাজনকে ভাষাৰ বৰ্গীকৰণ বোলে।

# ভাষাৰ বৰ্গীকৰণৰ  প্ৰকাৰ

- ভৌগোলিক বৰ্গীকৰণ
- পাৰিবাৰিক বা ঐতিহাসিক বৰ্গীকৰণ
- আকৃতিমূলক বৰ্গীকৰণ
- প্ৰৰূপাত্মক বৰ্গীকৰণ
- প্ৰভাৱৰ আধাৰত বৰ্গীকৰণ

# ভৌগোলিক বৰ্গীকৰণ

- একোটা ভাষা একোটা নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত প্ৰচলিত হৈ থাকে। ভাষা এটা যি ভোগোলিক অঞ্চলত প্ৰচলিত হৈ থাকে, সেই ভূ-খণ্ডৰ নামেৰে নামকৰণ কৰা বৰ্গীকৰণক ভৌগোলিক বৰ্গীকৰণ বোলে।
- ভৌগোলিক বৰ্গীকৰণ মূলতঃ ভৌগোলিক অৱস্থান অথবা কোনো জনসমূদায়ৰ নামেৰে নামকৰণ কৰা হয়। যেনে- আমেৰিকাৰ ভাষা, আফ্ৰিকাৰ ভাষা, এচিয়াৰ ভাষা, চীনা ভাষা ইত্যাদি।

# পাৰিবাৰিক বা ঐতিহাসিক বৰ্গীকৰণ

- উপৰুৱা বা বাহ্যিক দৃষ্টিকোণৰপৰা বেলেগ যেন লগা ভাষা কিছুমানৰ ধ্বনি, ৰূপ-ৰচনা, বাক্য, শব্দ ভাণ্ডাৰ, স্থানিক নিকটতা আদি বিভিন্ন দৃষ্টি কোণৰপৰা লক্ষ্য কৰা হয়, তেন্তে কিছুমান ভাষাৰ লগত কিছুমান ভাষাৰ সাদৃশ্য দেখা যায়। উৎস বিচাৰি গলে সেই ভাষাৰূপবোৰৰ একো একোটা পূৰ্বৰূপ ওলাই পৰে। সেই পূৰ্ব ৰূপবোৰৰ মাজত ঘনিষ্ঠ সাদৃশ্য দেখা গলে সেইবোৰক একোটা পৰিয়ালৰ ভিতৰত ধৰা হয়। এনেদৰে কৰা ভাষাৰ বৰ্গীকৰণক পাৰিবাৰিক বা ঐতিহাসিক বৰ্গীকৰণ বোলে।
- এই বৰ্গীকৰণত ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশৰ দিশটোৱে গুৰুত্ব পায়।
- পাৰিবাৰিক বৰ্গীকৰণত একে পৰিয়ালৰ ভাষাবোৰ মূলতঃ যে একেটা পৰিয়ালৰ পৰাই উৎপত্তি হয়, সেয়া দেখুওৱা হয়।

# আকৃতিমূলক বৰ্গীকৰণ

- ভাষাৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে বাক্য ভাষাৰ ভেঁটিৰূপে ধৰা হয় ।বাক্য এটা গঠন হয় বিভিন্ন ৰূপ বা ৰূপৰ সমষ্টিৰে ৰূপবিলাকৰো সুকীয়া সুকীয়া গঠন পদ্ধতি আছে। ৰূপ গঠন হোৱা বা ৰূপৰ সমষ্টিৰে হোৱা বাক্য গঠন প্ৰণালী সকলো ভাষাৰে একে নহয়। যিবোৰ ভাষাৰ ৰূপ আৰু বাক্য গঠন প্ৰণালী একে, সেই বোৰক একোটা ভাগৰ ভিতৰত ধৰা হয়। এনেদৰে ৰূপ ৰচনা আৰু বাক্য ৰচনাৰ ওপৰত ভিত্তি কৰি কৰা ভাষাৰ বৰ্গীকৰণক আকৃতিমূলক বৰ্গীকৰণ বোলে।
- এই বৰ্গীকৰণ মূলতঃ বৰ্ণনামূলক।

# প্ৰৰূপাত্মক বৰ্গীকৰণ

- প্ৰত্যেক ভাষাৰেই কিছুমান নিজস্ব বৈশিষ্ট থাকে। সেই বৈশিষ্টবোৰেই এটা ভাষাক আন এটা ভাষাৰপৰা পৃথক কৰি কৰে। ভাষাৰ যিকোনো দিশতে সেই বৈশিষ্ট্য প্ৰতিফলিত হব পাৰে। উচ্চাৰণৰ ধৰণ বেলেগ বেলেগ হব পাৰে। ৰূপ গঠন, বাক্য গঠন আদিৰ দিশতো এই বৈশিষ্ট্য দেখা যাব পাৰে। ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ নিৰ্দেশেৰে কৰা এনে বৰ্গীকৰণক প্ৰৰূপাত্মক বৰ্গীকৰণ বোলে।

# প্ৰভাৱিত বৰ্গীকৰণ

- বিভিন্ন কাৰণত এটা ভাষা আন এটা ভাষাৰদ্বাৰা প্ৰভাৱিত হয়। সাধাৰণতে শক্তিশালী আৰু উন্নত ভাষা এটাই তাতোকৈ অনুন্নত বা কম উন্নত ভাষাক প্ৰভাৱিত কাৰ। কেতিয়াবা এই প্ৰভাৱ যথেষ্ট বেছি হয়। এনে প্ৰভাৱৰ ফলত প্ৰভাৱিত ভাষা একোটা লুপ্ত হোৱাও দেখা যায়। এটা ভাষাই আন এটা ভাষাৰ ওপৰত পেলোৱা প্ৰভাৱৰ ওপৰত ভিত্তি কৰি কৰা বৰ্গীকৰণক প্ৰভাৱিত বৰ্গীকৰণ বোলে।
- সংস্কৃতৰ প্ৰভাৱিত ভাষা, লেটিনৰ প্ৰভাৱিত ভাষা, ইংৰাজী প্ৰভাৱিত ভাষা আদি ধৰণেৰে এই শ্ৰেণীৰ বৰ্গীকৰণ কৰিব পাৰি।